# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-OCT-2026
**Time :** 1800 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটীত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ ধন মুকলি।

২। খানাপাৰাত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰ উদ্বোধন।

৩। হিন্দুৰ পৰা ধৰ্মান্তৰিত হোৱা লোকসকলৰ স্বয়ংক্ৰিয় পিছপৰা শ্ৰেণীৰ সংৰক্ষণৰ সুবিধা অসাংবিধানিক বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়দান।

**আৰু**

৪। শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে ৰাজ্যৰ বিভিন্ন চহৰত যানবাহন আৰক্ষীৰ বিশেষ নীতি নিৰ্দেশনা।

ooooo

ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা লাভৰ ক্ষেত্ৰত থকা বাধা আঁতৰোৱাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ অক্টোবৰৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ পৰিকল্পনা আৰু ইয়াৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে অহা বছৰৰ পৰা আঁচনি দুখনৰ পৰিসৰ সম্প্ৰসাৰিত কৰি শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, আউনীআটী বিশ্ববিদ্যালয়, কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয় আৰু প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। নিযুত মইনা আঁচনিত এ এন এম, জি এন এম আৰু বি এছ চি নাৰ্চিঙৰ শিক্ষাৰ্থীসকলকো অন্তৰ্ভুক্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে ভৱিষ্যতে আৰ্থিক সাহায্যৰ পৰিমাণ বৃদ্ধিৰ বিষয়তো ৰাজ্য চৰকাৰে বিবেচনা কৰিব বুলি প্ৰকাশ কৰে।

বাইট (চি এম-১)

আজিৰ অনুষ্ঠানত নিযুত মইনা আঁচনিৰ অধীনত ৪ লাখ ৩৯ হাজাৰ ৫৯৮ গৰাকী ছাত্ৰীলৈ ৪৮ কোটি ২২ লাখ টকা আৰু নিযুত বাবু আঁচনিৰ অধীনত ১ লাখ দুহেজাৰ ৫০১গৰাকী ছাত্ৰলৈ ১০ কোটি ৩৭ লাখ টকা প্ৰদান কৰা হয়।

এই আঁচনিৰ দ্বাৰা ৫ লাখ ৪২ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক ৮০০ টকাকৈ, স্নাতক ছাত্ৰীসকলক এহেজাৰ ২৫০ টকাকৈ, স্নাতকোত্তৰ আৰু বি এডৰ ছাত্ৰীসকলক দুহেজাৰ ৫০০ টকাকৈ আৰু পলিটেকনিকৰ ছাত্ৰীসকলক ৮০০ টকাকৈ প্ৰদান কৰা হৈছে। একেদৰে নিযুত বাবু আঁচনিৰ অধীনত স্নাতক ছাত্ৰসকলক এহেজাৰ টকাকৈ আৰু স্নাতকোত্তৰ ছাত্ৰসকলক দুহেজাৰ টকাকৈ প্ৰদান কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই ইয়াৰ পাছতে আজি খানাপাৰা আই এছ বি টিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰৰ শুভাৰম্ভণি অনুষ্ঠানত অংশ লয়। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ড০ শৰ্মাই কয়

যে কেন্দ্ৰটো মুকলি হোৱাৰ ফলত ইউৰোপৰ ২৮খন ৰাষ্ট্ৰসহ মুঠ ৪২খন দেশ ভ্ৰমণৰ বাবে গুৱাহাটীতে ভিছা আবেদন কৰাৰ পথ প্ৰশস্ত হ'ব। কেন্দ্ৰটোৰ পৰা এই আবেদনসমূহ সংশ্লিষ্ট দেশৰ দূতাবাসলৈ প্ৰেৰণ কৰা হ'ব আৰু অনুমোদনৰ প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে কেন্দ্ৰটোৱে উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব।

বাইট (চি এম-২)

ডঃ শৰ্মাই আজি গুৱাহাটীৰ দিছপুৰৰ ভগদত্ত উৰণ সেতুৰ তলত গুৱাহাটী পৌৰ নিগমে স্থাপন কৰা **সেউজ প্ৰাচীৰো** উদ্বোধন কৰে। উল্লেখযোগ্য যে গুৱাহাটী পৌৰ নিগমে পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় স্বচ্ছ বায়ু কাৰ্যসূচীৰ অধীনত গুৱাহাটীত ৩৪ কোটি ৮২ লাখ টকা ব্যয়সাপেক্ষে সেউজ প্ৰাচীৰ প্ৰকল্প ৰূপায়ণ কৰিছে। গুৱাহাটীৰ বিভিন্ন উৰণ সেতুৰ তলৰ ২০টা স্থানত এনে সেউজ প্ৰাচীৰ গঢ়ি  তোলাৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। শ্ৰীসোণোৱালে তেওঁৰ ভাষণত কয় যে আৰ্থিক অসুবিধাই যাতে কোনো শিক্ষাৰ্থীৰ উচ্চ শিক্ষা লাভৰ সপোনত বাধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰৰ এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। যুৱ প্ৰজন্মৰ সপোন, নতুন ভাৰতৰ সপোন বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে যুৱক-যুৱতীসকলক শিক্ষাৰ জৰিয়তে সমৃদ্ধ কৰি সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰাটো বিকশিত ভাৰতৰ দিশত অভিলাষী পদক্ষেপ বুলি মন্তব্য কৰে।

কাছাৰ জিলাৰ লক্ষীপুৰত আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়ে পয়লাপুলৰ নেহৰু মহাবিদ্যালয়কে ধৰি সাতখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ চেক বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শিক্ষাৰ প্ৰসাৰ তথা ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষিত কৰাৰ দিশত ৰূপায়ণ কৰা এই কাৰ্যসূচীয়ে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বৃত্তি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই জনোৱা অনুৰোধক লৈ আলোচনা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ অক্টোবৰৰ প্ৰথম কিস্তিৰ ধন বিতৰণ অনুষ্ঠানৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। তেওঁ কয় যে বৃত্তি পৰীক্ষাতকৈ গুণোৎসৱৰ গুৰুত্ব অধিক।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি এটা গুৰুত্বপূৰ্ণ ৰায়দানত হিন্দুৰ পৰা ইছলাম বা অন্য ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা লোকসকলে ধৰ্মান্তৰকৰনৰ পূৰ্বে জাতিগত পৰিছয় ভিত্তিত লাভ কৰা পিছপৰা শ্ৰেণীৰ সংৰক্ষণৰ সুবিধা স্বয়ংক্ৰিয়ভাৱে দাবী কৰিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে। মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই তামিলনাডু চৰকাৰে দাখিল কৰা এখন আবেদনৰ শুনানি লৈ ন্যায়াধীশ প্ৰশান্ত কুমাৰ মিশ্ৰ আৰু চন্দ্ৰশেখৰক লৈ গঠিত এখন বিচাৰপীঠে এই ৰায় প্ৰদান কৰে। আদালতে কয়, যে কোনো এজন ব্যক্তিয়ে হিন্দু ধৰ্মীয় সামাজিক ব্যৱস্থাৰ পৰা আন ধৰ্মীয় সামাজিক ব্যৱস্থালৈ ধৰ্মান্তৰিত হ'লে পূৰ্বৰ সামাজিক পিছপৰা জাতিৰ অৱস্থিতি হেৰুৱায়। ফলত তেনে ব্যক্তিয়ে পিছপৰা শ্ৰেণী বা অনুসূচিত জাতিৰ পূৰ্বৰ ভিত্তিত সংৰক্ষণৰ সুবিধাও একে কাৰণতে লাভ কৰিব নোৱাৰে। হিন্দুৰ পৰা অন্য ধৰ্মলৈ ধৰ্মান্তৰিত হ'লে এগৰাকী ব্যক্তিয়ে পিছপৰা শ্ৰেণীৰ সম্প্ৰদায়ৰ সদস্য দাবী কৰিব নোৱাৰে বুলি বিচাৰপীঠখনে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে তামিলনাডু চৰকাৰে ২০২৪ চনত জাৰি কৰা এটা চৰকাৰী নিৰ্দেশৰ ভিত্তিত এই গোচৰ ৰুজু কৰা হৈছিল। এই নিৰ্দেশ অনুযায়ী পিছপৰা শ্ৰেণী, অতি পিছপৰা শ্ৰেণী অথবা অনুসূচীত জাতিৰ অন্তৰ্গত কোনো ব্যক্তিয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰিলে তেওঁক স্বয়ংক্ৰিয়ভাৱে পিছপৰা শ্ৰেণীৰ মুছলিম ব্যক্তি বুলি গণ্য কৰা হৈছিল। মাদ্ৰাছ উচ্চ ন্যায়ালয়ে এই চৰকাৰী নিৰ্দেশক অসাংবিধানিক বুলি ঘোষণা কৰি বাতিল কৰিছিল। এই ৰায়ৰ বিৰুদ্ধে তামিলনাডু চৰকাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল যদিও উচ্চতম ন্যায়ালয়ে পূৰ্বৰ ৰায় বাহাল ৰাখে।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মীলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি চলচ্চিত্ৰ পৰিচালক ৰাজেশ ভূঞা দ্বিতীয় দিনৰ বাবে ফাষ্টট্ৰেক আদালতত হাজিৰ হৈ সাক্ষ্য প্ৰদান কৰে। সাক্ষ্য প্ৰদান কালত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই জুবিন গাৰ্গৰ মৃত্যু গোচৰ সন্দৰ্ভত পৰিচালক ৰাজেশ ভূঞাক জেৰা কৰে। ইফালে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰাজেশ মজুমদাৰৰ বিচাৰপীঠত আজি অভিযুক্ত পৰেশ বৈশ্যৰ জামিন আবেদনৰ শুনানি অনুষ্ঠিত হয়। শুনানিত অভিযুক্ত পক্ষই সময় বিচৰাত উচ্চ ন্যায়ালয়ে বৈশ্যৰ জামিন আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰে। আন এগৰাকী অভিযুক্ত নন্দেশ্বৰ বৰায়ো জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে।

ooooo

শাৰদীয় নৱৰাত্ৰিৰ আজি পঞ্চম দিনা দেৱীক স্কন্দমাতা ৰূপত পূজা কৰা হৈছে। দেৱীৰ এই ৰূপে মাতৃসুলভ স্নেহ আৰু শক্তিক প্ৰতিনিধিত্ব কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সামাজিক মাধ্যমযোগে নৱৰাত্ৰিৰ পঞ্চমদিনা দেৱীৰ স্কন্দমাতা ৰূপৰ বিষয়ে উল্লেখ কৰি মমতা আৰু বাৎসল্যৰ অধিষ্ঠাত্ৰী দেৱীয়ে সকলোৰে মাজত স্নেহ আৰু সৌহাৰ্দ্যৰ মনোভাৱ বৰ্তাই ৰাখিব বুলি আশা প্ৰকাশ কৰে। কাইলৈ কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। ষষ্ঠীৰ সন্ধিয়া দেৱীক, বেদীত প্ৰতিষ্ঠা কৰা হ'ব। সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক পূজা কৰাৰ পাছত দশমীত দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

গুৱাহাটী মহানগৰ আৰক্ষীয়ে শাৰদীয় দুৰ্গোৎসৱ শান্তিপূৰ্ণ আৰু সুৰক্ষিতভাৱে উদযাপনৰ লক্ষ্যৰে পূজা সমিতিসমূহৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সমিতিসমূহে নিশা ১০ বজাৰ পিছত উচ্চস্তৰত মাইক আৰু চাউণ্ড চিষ্টেম বজাব নোৱাৰিব। প্ৰতিখন পূজা মণ্ডপত চিচি টিভি কেমেৰা স্থাপন কৰিব লাগিব। নিশালৈ স্বেচ্ছাসেৱক নিয়োজিত কৰিব লাগিব আৰু সমিতিসমূহৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱকৰ ব্যৱস্থা কৰা উচিত। পূজাৰ সময়ছোৱাত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ উদ্দেশ্যে পূজাস্থলীত অসামৰিক পোচাকতো আৰক্ষীৰ লোক নিয়োগ কৰা হ'ব। ভীৰ নিয়ন্ত্ৰণ আৰু শৃংখলা বৰ্তাই ৰখাৰ স্বাৰ্থত পুৰুষ আৰু মহিলাৰ প্ৰৱেশ-প্ৰস্থানৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক কৰা হৈছে। একেদৰে দুচকীয়া বাহন চলোৱাৰ ক্ষেত্ৰত হেলমেট পৰিধান বাধ্যতামূলক কৰা হৈছে। সুৰাপায়ী চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে স্পষ্ট কৰি দিছে। প্ৰতিমা বিসৰ্জনৰ বাবে পাণ্ডু আৰু লাচিত ঘাটত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

গুৱাহাটী মহানগৰ এলেকাত দুৰ্গা পূজাৰ সময়ছোৱাত সাধাৰণ ৰাইজ বিশেষকৈ শিশু, ছাত্ৰ-ছাত্ৰী, মহিলা, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ব্যক্তিৰ দৰে পথচাৰীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে এম্বুলেন্স, অগ্নি নিৰ্বাপক বাহনৰ দৰে জৰুৰীকালীন সেৱাৰ সুগম চলাচলৰ সুবিধাৰ্থে ১৬ৰ পৰা ২০ অক্টোবৰলৈ মহানগৰ আৰক্ষীয়ে কিছু জৰুৰীকালীন নীতি-নিৰ্দিশনা জাৰি কৰিছে। পূজাৰ সময়ছোৱাত পুৱা ৪ বজাৰ পৰা দুপৰীয়া ১২ বজালৈহে সামগ্ৰী কঢ়িওৱা বাহনসমূহক মহানগৰত প্ৰৱেশৰ অনুমতি দিয়া হ'ব। ইয়াৰ লগতে মহানগৰীৰ বিভিন্ন স্থানত দুপৰীয়া দুই বজাৰ পৰা নিশা দুই বজালৈ যান-বাহন প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। মহানগৰীত চলাচল কৰা চিটি বাছৰ ক্ষেত্ৰতো বশিষ্ঠ মন্দিৰৰ পৰা ধাৰাপুৰলৈ চলাচল কৰা চিটিবাছসমূহ বশিষ্ঠ চাৰিআলিৰ পৰা নেপালী মন্দিৰ-ভৰলুমুখ হৈ ধাৰাপুৰলৈ চলাচল

কৰিব লাগিব। একেদৰে আদাবাৰী বাছ স্থানৰ পৰা লালগণেশলৈ যোৱা চিটিবাছ মালিগাঁৱৰ পৰা জুৰোড উৰণ সেতু হৈ ৰাজধানী মছজিদেৰে লালগণেশলৈ চলাচল কৰিব লাগিব। পাঞ্জাবাৰীৰ পৰা ধাৰাপুৰলৈ চলা চিটিবাছসমূহ নুনমাটি হৈ গন্তব্য স্থানলৈ চলাচল কৰিব। একেদৰে হাটীগাঁৱৰ পৰা ধাৰাপুৰলৈ চলা চিটিবাছৰ ক্ষেত্ৰত উভতি অহাৰ সময়ত পথ সলনি কৰি ঘূৰিব লাাগিব। আন্তঃ জিলা বাছসমূহৰ ক্ষেত্ৰতো নামনি অসমৰ পৰা অহা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছসমূহ জালুকবাৰীৰ ফালৰ পৰা মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব।

শাৰদীয় দূৰ্গা পূজা উপলক্ষে উত্তৰ লখিমপুৰ চহৰতো জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। চহৰখনৰ অন্যতম ব্যস্ত এলেকা শিৱমন্দিৰৰ পৰা ঘড়ী টাৱাৰলৈকে পথছোৱা সম্পূৰ্ণৰূপে বাহন চলাচল বন্ধ কৰা হৈছে। চহৰৰ ভিতৰত সকলো ধৰণৰ গধূৰ যানবাহনৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। পূজাৰ দিনকেইটাত চহৰবাসিৰ সুবিধাৰ্থে যাতায়াত ব্যৱস্থা সূচল কৰি ৰাখিবলৈ এই নিৰ্দেশনা জাৰি কৰিছে।

ooooo

সমাপ্ত